# ফানোৱাৰা বেগমৰ
# নিৰ্বাচিত কবিতা

সম্পাদক

## শ্বৰীফা খাতুন চৌধুৰী

PWF

পয়েট্ৰী উইডাউট ফিয়াৰ

*ফানোৱাৰা বেগমৰ নিৰ্বাচিত কবিতা*

সম্পাদক: শ্বৰীফা খাতুন চৌধুৰী

প্ৰথম সংস্কৰণ ২০২৫

*Fanuwara Begumar Nirbachita Kabita*

*A collection of Assamese poems written by Fanuwara Begum and edited by Sarifa Khatoon Chowdhury.*

© 2025 by Editor and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2025.

Published by Poetry without Fear (PWF) in Assam, 2025.
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-984521-2-2

Price: ₹150.00

## খোলাকটি

আঁচলেৰে খোলাবোৰ বুকুত সাবটি,
এখোজ দুখোজকৈ গ'লোঁ আগবাঢ়ি।

তপত বালিৰ কূল আহোঁতে গচকি,
মোহৰ মায়াৰ জাল পৰিল সুলকি।

পুনৰ উভতি চালোঁ গভীৰ সাগৰ
জোনাকত টলবল পানীৰ লহৰ।

কিমান গভীৰ আৰু কিমান শীতল
শান্তিৰ প্ৰতীক যেন অচল-অটল।

সাগৰৰ দৰে মোৰো মন-সাগৰত
উঠিল নামিল ঢউ নানান ভাবত।

আগলৈ নোৱাৰি যাব, ঘূৰিয়ো নাহিলোঁ
আঁচলৰ খোলাবোৰো পানীত ঢালিলোঁ।

পানীত বিলীন হোৱা এই খোলাবোৰ
বন্দী কৰা আছে জানো অধিকাৰ মোৰ?

এতিয়া একোৰে আৰু নাই প্ৰয়োজন,
এনেকৈয়ে জীৱনৰ হ'ব সমাপণ।

# এইবাৰো শেনৰ এজাত

বগা ভাতৰ দ'ম য'ত
কাউৰীৰ অভাৱ জানো ত'ত?

বুঢ়া গছৰ ডালত কাউৰীৰ বাহৰ লানি
ক্ৰমাৎ সংখ্যাত বাঢ়িছে,
নিৰ্যাতিত জনতাৰ কৰুণ আৰ্তনাদত
আকাশ-বতাহ কঁপিছে।

বালিভোজ খোৱা যাত্ৰীৰ কিৰীলি
আৰু জাৰত ঠেঁটুৱৈ ধৰা ভোকাতুৰ শিশুৰ
মৰণ কঁপনি
সকলো একাকাৰ
এইবাৰ শেনৰ এজাত

হাড়ে-ছালে লগা মানুহৰ দেহা
শিয়াল-শগুণে নাপায় জিভাত জুতি।
বুধিয়কেও হেৰুৱালে বুধি।

বৰ বৰ সভাত দোষীয়েহে আগপাত পায়,
কাৰ সুখৰ ভাত কাঢ়ি আনি কোনে
বৰ বৰ গৰাহ ভৰায়।

বৰঘৰৰ মজিয়াত ফেৰ মাৰে বৰপীৰাত
বৰ বৰ ফণাৰে জাত।

কথাটো থোৰতে থাক
এইবাৰো শেনৰ এজাত।

*(১৯৮৫ চনৰ ২৫ অক্টোবৰত ডুমডুমা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ লেখক সমাৰোহত পঠিত।)*

# চিলা

ফাগুনৰ উতলা পৱন
বান্ধিব নোৱাৰি মন
উৰি গ'লোঁ মুক্ত আকাশলৈ।
হাতৰ মুঠিৰ লেটাই
ঢিলা কৰি দিলে গৰাকীয়ে
যিমানেই উৰি মই গ'লোঁ ওপৰলৈ
সিমানেই মন মোৰ হ'ল মতলীয়া।
ছিঙিল লেটাইৰ জৰী,
সীমাহীন বিশাল আকাশ
হ'লোঁ দিশহাৰা
উৰি গ'লোঁ দূৰদূৰলৈ
অসহনি হ'ল মোৰ
বতাহৰ ঘাত-প্ৰতিঘাত
ঘূৰণী পাকত পৰি
পৰিলোঁহি পাতল বায়ুত
আহিলোঁ তললৈ খহি
ওলমি ৰ'লোঁহি আহি
জৰাজীৰ্ণ হৈ এই গছৰ ঠালত।

*(কাকপথাৰত বহা ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ বাৰ্ষিক অধিৱেশনত পঠিত।)*